**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 01-DEC-2025
**Time :** 0755 Hrs

***Assamese Morning Bulletin***

সংসদৰ শীতকালীন অধিবেশন আজি আৰম্ভ হ'ব। ১৯ দিন ধৰি চলিবলগীয়া এই অধিবেশনত ১৫ খন বৈঠক অনুষ্ঠিত হ'ব। সংসদৰ শীতকালীন অধিবেশনত মুঠ ১৩ খন বিধেয়ক উত্থাপন কৰাৰ সম্ভাৱনা আছে। ইয়াৰ ভিতৰত ৰাষ্ট্ৰীয় ঘাইপথ সংশোধনী বিধেয়ক, পাৰমাণৱিক শক্তি বিধেয়ক, কৰ্প'ৰেট আইন সংশোধনী বিধেয়ক, বীমা আইন সংশোধনী বিধেয়ক আৰু ভাৰতৰ উচ্চ শিক্ষা আয়োগ বিধেয়ক ২০২৫ আছে। কেন্দ্ৰীয় বিত্তমন্ত্ৰী নিৰ্মলা সীতাৰমনে লোকসভাত কেন্দ্ৰীয় শুল্ক সংশোধনী বিধেয়ক দাখিল কৰিব। তদুপৰি অধিবেশনত ২০২৫-২৬ বৰ্ষৰ বাবে প্ৰথম পৰ্যায়ৰ অনুদানৰ পৰিপূৰক দাবী সন্দৰ্ভত আলোচনা আৰু ভোটদান কৰা হ'ব।

ইয়াৰ পূৰ্বে কালি নতুন দিল্লীৰ সংসদ ভৱনত সদনৰ কাম-কাজ সুচাৰুৰূপে চলাই নিয়াতো সুনিশ্চিত কৰাৰ বাবে এখন সৰ্বদলীয় বৈঠক অনুষ্ঠিত হয়। প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিঙৰ অধ্যক্ষতাত অনুষ্ঠিত এই বৈঠকত ৩৬টা ৰাজনৈতিক দলৰ ৫০জন নেতাই অংশগ্ৰহণ কৰে। বৈঠকৰ অন্তত সাংবাদিকৰ সৈতে হোৱা কথা-বতৰাত সংসদীয় পৰিক্ৰমা মন্ত্ৰী কিৰেণ ৰিজিজুৱে কয় যে ইতিবাচক পৰিবেশত এই বৈঠক অনুষ্ঠিত হয় আৰু চৰকাৰে সংসদৰ শীতকালীন অধিবেশন নিয়াৰিকৈ পৰিচালনাৰ বাবে সকলো ৰাজনৈতিক দলৰ নেতাকে সহযোগিতা আগবঢ়াবলৈ আহ্বান জনায়। এইবাৰৰ অধিবেশনত যিকোনো গুৰুত্বপূৰ্ণ বিষয় আলোচনা কৰিবলৈ চৰকাৰ সাজু বুলি শ্ৰীৰিজিজুৱে উল্লেখ কৰে।

০০০০০০

ছটা জনগোষ্ঠীৰ জনজাতিকৰণ সন্দৰ্ভত যোৱা শনিবাৰে বিধানসভাত প্ৰতিবেদন দাখিল কৰা মন্ত্ৰীগোটে এই প্ৰতিবেদনৰ আলোচনাৰ বাবে অসম জনজাতীয় সংগঠনসমূহৰ সমন্বয়ৰক্ষী সমিতিক আমন্ত্ৰণ জনাব। দিছপুৰৰ লোকসেৱা ভৱনত অনুষ্ঠিত ৰাজ্যিক মন্ত্ৰীসভাৰ বৈঠকত কালি এই সিদ্ধান্ত লোৱা হয়। বৈঠকৰ অন্তত এখন সংবাদমেলত মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাই এই কথা প্ৰকাশ কৰি কয়, যে মন্ত্ৰী ৰণোজ পেগু, কেশৱ মহন্ত আৰু পীযুষ হাজৰিকাৰে গঠিত মন্ত্ৰীগোটৰ প্ৰতিবেদন সন্দৰ্ভত মন্ত্ৰীসভাত আলোচনা কৰা হয়। তেওঁ কয়, যে মন্ত্ৰীগোটৰ প্ৰতিবেদন বহু লোকে ভালদৰে অধ্যয়ন নকৰাৰ বাবেই ভুল বুজাবুজিৰ সৃষ্টি হৈছে। প্ৰয়োজন সাপেক্ষে মুখ্যমন্ত্ৰীগৰাকী নিজেও জনজাতি সংগঠনসমূহৰ সমন্বয়ৰক্ষী সমিতিৰ সৈতে আলোচনাত মিলিত হ'ব বুলি সংবাদ মাধ্যমৰ আগত মন্তব্য কৰে। মন্ত্ৰীসভাৰ বৈঠকত ৰাষ্ট্ৰীয় স্বাস্থ্য অভিযানত কৰ্মৰত কৰ্মচাৰীৰ মৃত্যু হ'লে পূৰ্বৰ এককালীন সাহায্য ৫ লাখ টকাৰ পৰা চাৰে ৭ লাখ টকালৈ বৃদ্ধি কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰা হয়। ইপিনে, ৰাজ্যত নতুনকৈ স্থাপন কৰা পাঁচখন মিনি আই টি আই - দুধনৈ, পাঠশালা, ৰঙিয়া, বিশ্বনাথ চাৰিআলি আৰু তিতাবৰত কৰ্মৰত কৰ্মচাৰীসকলৰ দৰমহা প্ৰায় ৩৫ শতাংশ বৃদ্ধিৰ সিদ্ধান্ততো মন্ত্ৰীসভাই অনুমোদন জনায়। ডঃ শৰ্মাই কয়, যে অহা পহিলা জানুৱাৰীৰ পৰা কাৰ্যকৰী হোৱাকৈ প্ৰতিবছৰে দৰমহা তিনি শতাংশকৈ বৃদ্ধিৰে তেওঁলোকৰ মূল

পাৰিশ্ৰমিক সংশোধন কৰি স্থায়ী দৰমহাৰ গাঁথনি উন্নীতকৰণৰ সিদ্ধান্ত লোৱা হৈছে। মন্ত্ৰীসভাৰ বৈঠকত উত্তৰ লখিমপুৰ বিশ্ববিদ্যালয় আইন, ২০২৩-ৰ ৫৮ নম্বৰ ধাৰা সংশোধন কৰিবলৈ অধ্যাদেশ জাৰি কৰাত অনুমোদন জনোৱা হয়। এই সংশোধনীয়ে প্ৰথমে পঞ্জীয়কক তিনি বছৰলৈ বা নিয়মীয়া পঞ্জীয়ক নিযুক্তি নিদিয়া পৰ্যন্ত কাৰ্যভাৰ গ্ৰহণ কৰি থাকিবলৈ অনুমতি প্ৰদান কৰিব। ইয়াৰ ফলত বিশ্ববিদ্যালয়ৰ কাম-কাজসমূহ নিৰৱচ্ছিন্নভাৱে চলি থকাটো সুনিশ্চিত হ'ব।

০০০০০০

নাগালেণ্ডৰ কোহিমাৰ কিছামা গাঁৱত আজি ২৬ সংখ্যক হৰ্নবিল মহোৎসৱ আৰম্ভ হ'ব। নাগালেণ্ডৰ ৰাজ্য হিচাপে প্ৰতিষ্ঠা দিৱসৰ সৈতে একেলগে আয়োজন কৰা এই ১০ দিনীয়া মহোৎসৱত নগা জনজাতিসকলক একেলগ কৰি ৰাজ্যখনৰ লোক সংগীত, শিল্প, খাদ্য সম্ভাৰ আদিৰ মাধ্যমেৰে বৰ্ণাঢ্য সংস্কৃতিক প্ৰদৰ্শন কৰা হ'ব। প্ৰায় দুই দশক পূৰ্বে পৰ্যটনৰ পদক্ষেপ হিচাপে আৰম্ভ কৰা হৰ্নবিল মহোৎসৱ বৰ্তমান বিশ্বৰ অন্যতম আকৰ্ষণীয় সাংস্কৃতিক মহোৎসৱ হিচাপে পৰিগণিত হৈছে। এই মহোৎসৱে এখন গোলকীয় মঞ্চ হিচাপে দেশ-বিদেশৰ পৰ্যটক, সহযোগী তথা শিল্পীসকলক আকৰ্ষণ কৰি আহিছে।

০০০০০০

দেশৰ লগতে আজি ৰাজ্যত বিশ্ব এইডছ দিৱস পালন কৰা হৈছে। অসম ৰাজ্যিক এইডছ নিয়ন্ত্ৰণ সমিতি উদ্যোগ আৰু ৰাজ্য চৰকাৰৰ সহযোগত শ্ৰীমন্ত শংকৰদেৱ আন্তৰ্জাতিক প্ৰেক্ষাগৃহত কেন্দ্ৰীয়ভাৱে বিশ্ব এইডছ দিৱস পালনৰ আয়োজন কৰা হৈছে। এইবাৰৰ এই দিৱসৰ মূল বিষয়বস্তু হৈছে- **অন্তৰায় অতিক্ৰমি এইডছৰ বিৰুদ্ধে যুঁজ দিওঁ আহক**। আজিৰ কেন্দ্ৰীয় কাৰ্যসূচীত মন্ত্ৰী অশোক সিংহলৰ লগতে কেইবাগৰাকী বিশিষ্ট লোক উপস্থিত থাকিব। এইডছৰ পৰা নিজকে ৰক্ষা কৰাৰ লগতে সমাজত এইডছৰ সজাগতা বৃদ্ধি কৰি এইডছ নিৰ্মূল কৰাৰ বাবে প্ৰতিবছৰে এই অনুষ্ঠানৰ আয়োজন কৰা হয়।

০০০০০০

শিৱসাগৰ চহৰৰ ব'ৰ্ডিং খেলপথাৰৰ জুবিন গাৰ্গ ক্ষেত্ৰত আজিৰে পৰা দশম শিৱসাগৰ গ্ৰন্থ উৎসৱ অনুষ্ঠিত হ'ব। স্বেচ্ছাসেৱী অনুষ্ঠান 'খোজ'ৰ উদ্যোগত অনুষ্ঠিত এই গ্ৰন্থ উৎসৱ অসম সাহিত্য সভাৰ প্ৰাক্তন সভাপতি তথা অসম আৰক্ষীৰ প্ৰাক্তন সঞ্চালকপ্ৰধান ড০ কুলধৰ শইকীয়াই মুকলি কৰিব। এই গ্ৰন্থ উৎসৱৰ কাৰ্যসূচীত সাহিত্য সংস্কৃতিৰ লগত জড়িত কেইবাজনো বিশিষ্ট ব্যক্তিক সম্বৰ্ধনা জনোৱা হ'ব। ১১ ডিচেম্বৰলৈ হ'বলগীয়া দশম শিৱসাগৰ গ্ৰন্থ উৎসৱৰ লগত সংগতি ৰাখি কুইজ, সংগীত, ৰচনা, নৃত্য, কবিতা আবৃত্তি আদিৰ লগতে বহু কাৰ্যসূচী অনুষ্ঠিত হ'ব।

০০০০০০

সমাপ্ত